**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-02-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
**:::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীৰ অষ্টম সংস্কৰণত শিক্ষাৰ্থীসকলে পৰীক্ষাৰ সময়ত মানসিক চাপ আৰু উদ্বেগৰ পৰা কেনেদৰে হাত সাৰিব পাৰে সেই বিষয়ত আলোকপাত কৰে। পৰিপুষ্টি আৰু সুস্বাস্থ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিক্ষাৰ্থীসকলে পঢ়াৰ লগতে প্ৰয়োজন সাপেক্ষে জিৰণি লোৱাটো প্ৰয়োজন। তেওঁ লগতে শিক্ষাৰ্থীসকলক চাপমুক্ত হৈ থকাৰ বাবেও বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত আজি দেশৰ বিভিন্ন স্থানৰ লগতে অসমৰো কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যৰ বিভিন্ন জিলাত এই অনুষ্ঠান পৰ্দাৰ জৰিয়তে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। এই প্ৰদৰ্শনত সংশ্লিষ্ট অঞ্চলৰ বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, শিক্ষাৰ্থী আৰু অভিভাৱকে ভাগ লয়। গোলাঘাট জিলাৰ তিনিখন বিদ্যালয়ৰ প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশ লয়।

উল্লেখযোগ্য যে এইবাৰৰ পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৬ গৰাকী শিক্ষাৰ্থীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে আজি ঢেকীয়াজুলি ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে অভিভাৱকসকলক সন্তানৰ সুস্বাস্থ্যৰ বাবে পৰিষ্কাৰ পৰিৱেশ, বিশুদ্ধ পানী সেৱন আৰু স্বাস্থ্যসন্মত জীৱন-যাপনৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায়।

উত্তৰ লখিমপুৰৰ পদ্মনাথ গোহাঁই বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত টিংকুমণি বৰাই ছাত্ৰ-ছাত্ৰীসকলক পেলু নিৰ্মূলকৰণ ঔষধ প্ৰদান কৰে। অনুষ্ঠানত মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ কুইন বৰুৱাই পেলুৰ সংক্ৰমণ সহজে প্ৰতিৰোধ কৰাৰ ব্যৱস্থাৰ লগতে এই বিষয়ত এটা সজাগতামূলক বক্তৃতা প্ৰদান কৰে। ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ কাৰ্যসূচীৰ অধীনত জিলাখনৰ ২ হাজাৰ ২৮৩ খন বিদ্যালয় আৰু ২ হাজাৰ ৫৯২টা অংগনৱাড়ী কেন্দ্ৰ সামৰি লোৱা হৈছে।

তিনিচুকীয়া জিলাৰ বৰগুৰি জ্ঞানংকোষ আৱাসিক বিদ্যালয়ত আজি পেলু নিৰ্মূলকৰণ দিৱসৰ কাৰ্যসূচীত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কেইবাগৰাকী বিষয়াই অংশ লয়।

মাজুলী জিলাৰ ৰঙাচাহী তনুৰাম নাথ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ লোকনাথ দেউৰীয়ে এই দিৱসৰ কাৰ্যসূচী মুকলি কৰে। অনুষ্ঠানত কেইবাগৰাকী চিকিৎসকে পেলু হোৱাৰ কাৰণ,

ইয়াৰ নিৰ্মূলকৰণৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থা আদিৰ বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক পৰামৰ্শ আগবঢ়ায়।

চৰাইদেউ জিলাৰ সোণাৰীৰ পদ্মকুমাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস পালন কৰা হয়।

০০০০

দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই চীনদেশে তিববতত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ সম্পৰ্কত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। আজি লোকসভাত এটা দৃষ্টি আকৰ্ষণকাৰী প্ৰসংগ উত্থাপন কৰি সাংসদ শইকীয়াই এই বান্ধ নিৰ্মাণ হ'লে অসম, অৰুণাচল প্ৰদেশ আৰু বাংলাদেশৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত বিৰূপ প্ৰভাব পৰিব বুলি আশংকা প্ৰকাশ কৰে। তেওঁ কয়, যে দক্ষিণ এছিয়াৰ এই অঞ্চলটো ভূমিকম্প আৰু বানপানীকে ধৰি অতিশয় দুৰ্যোগপ্ৰবন অঞ্চল। এই বান্ধৰ লগতে চীনে বৃহৎ আকাৰৰ জলাধাৰ নিৰ্মাণৰো প্ৰস্তাৱ কৰিছে বুলি তেওঁ উল্লেখ কৰে। সাংসদগৰাকীয়ে অঞ্চলটোৰ পৰিৱেশ আৰু সভ্যতা-সংস্কৃতি ৰক্ষা কৰাৰ স্বাৰ্থত বিষয়টো কূটনৈতিকভাৱে চীন দেশৰ সৈতে বিষয়টো আলোচনা কৰিবলৈ ভাৰত চৰকাৰক আহ্বান জনায়।

০০০০

এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যত ব্যাপক প্ৰস্তুতি অব্যাহত আছে। আজি কেইবাগৰাকীও মন্ত্ৰীয়ে এই সন্মিলন সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি গুৱাহাটীত জনতাভৱনৰ কাৰ্যালয় কক্ষত সন্মিলনৰ আদৰণি সমিতি, নীতি নিৰ্ধাৰণ আৰু যাতায়ত ব্যৱস্থাপনা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এই সন্মিলনৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। আজিৰ এই বৈঠকত ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিবৰ উপৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। মন্ত্ৰী পীযুষ হাজৰিকাই আজি এই সন্মিলনৰ অংশ হিচাপে শোণিতপুৰ আৰু বিশ্বনাথ জিলাক সামৰি অনুষ্ঠিত এখন কৰ্মশালাত অংশ লয়। জিলা দুখনৰ কমেও ২৫০ গৰাকী উদ্যোগীয়ে অংশ লোৱা কৰ্মশালাত স্থানীয় উদ্যমী, বিভিন্ন অংশীদাৰ আৰু জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে মন্ত্ৰীগৰাকীয়ে মত বিনিময় কৰে।

উল্লেখযোগ্য যে  ৰাজ্যখনত বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে আয়োজিত এই সন্মিলনে বিভিন্ন দিশত সুযোগৰ সন্ধান দিব বুলি আশা কৰা হৈছে। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি এই সন্মিলনৰ বিষয়ে প্ৰকাশ কৰি অসমৰ ঔদ্যোগীক ক্ষেত্ৰখনত নতুনকৈ সংযোজিত চেমিকণ্ডাক্টৰ খণ্ডলৈ বিনিয়োগকাৰীক আকৰ্ষণৰ ক্ষেত্ৰত সন্মিলনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০

সমাপ্ত